**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাজ্যৰ গো-পালকসকললৈ ৰাজ সাহায্য প্ৰদান আঁচনিৰ শুভাৰম্ভণি তথা পূৰবী ডেইৰীৰ সম্প্ৰসাৰণৰ আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।
২। ৰাজ্যৰ খৰাংসদৃশ পৰিস্থিতি সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে মুখ্য সচিবৰ বৈঠক।
৩। পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আশুতোষ কুমাৰৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে কাইলৈ শপতগ্ৰহণ।
৪। অসমত সৃষ্টিশীল লিখনিৰ আনুষ্ঠানিক শিক্ষা সন্দৰ্ভত বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্যসকলক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবে আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট লেখক আৰুণি কাশ্যপৰ আহ্বান। **আৰু**
৫। কাছাৰ জিলাৰ সাপটগ্ৰামত আৰক্ষীৰ অভিযানত প্ৰায় ৬ কোটি ২২ লাখ টকাৰ হেৰ'ইন জব্দ।

oooooo

ৰাজ্যৰ দুগ্ধ প্ৰ-সংস্কৰণ প্ৰকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহায্য প্ৰদানৰ শুভাৰম্ভণি তথা পূৰবী ডেইৰীৰ সম্প্ৰসাৰণৰ ভূমিপূজন আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ পূৰবী ডেইৰীৰ চৌহদ আৰু শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল আৰু সমবায় মন্ত্ৰী যোগেন মহন উপস্থিত থাকিব। উল্লেখযোগ্য যে দুগ্ধ প্ৰ-সংস্কৰণ প্ৰকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহাজ্য প্ৰদানৰ এই আঁচনিৰ প্ৰথম পৰ্যায়ত ৫৪২ খন দুগ্ধ সমবায় সমিতি আৰু ১৯ হাজাৰ ৩০ গৰাকী দুগ্ধ উৎপাদক উপকৃত হ'ব।

oooooo

ৰাজ্যৰ খৰাংসদৃশ পৰিস্থিতিৰ ফলত ২৫ খন জিলাত যোৱা ১ জুনৰ পৰা কালিলৈকে বৰষুণ হোৱাৰ পৰিমাণ ৪৩ শতাংশ হ্ৰাস পোৱা বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। এনে পৰিস্থিতি জলসিঞ্চনৰ সা-সুবিধা নথকা ৰাজ্যৰ কৃষকসকলে বিমোৰত পৰা পৰিলক্ষিত হৈছে। অৱশ্যে শেহতীয়াকৈ মন্ত্ৰীসভাৰ বৈঠকৰ পাছত খৰাং পীড়িত কৃষকক চৰকাৰে ক্ষতিপূৰণ দিব বুলি মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাই কৃষকসকলৰ কিছু পৰিমাণে সকাহ দিছে। ইপিনে ৰাজ্যত অনাবৃষ্টিৰ ফলত সৃষ্টি হোৱা খৰাংসদৃশ পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যেৰে ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই কালি জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

oooooo

কৃষি মন্ত্ৰী অতুল বৰাই কালি যোৰহাট জিলাৰ কৃষি আৰু আৱকাৰী বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। ৰাজ্যৰ বিভিন্ন অঞ্চলত সৃষ্টি হোৱা খৰাং সদৃশ পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি

মন্ত্ৰীগৰাকীয়ে জিলাখনৰ অৱস্থাৰ বুজ লয়। স্বাভাৱিক অৱস্থাতকৈ জিলাখনত এইবাৰ বৰষুণৰ পৰিমাণৰ ৭ শতাংশ হ্ৰাস হোৱা বুলি জিলা কৃষি বিষয়াই জানিবলৈ দিয়ে। বতৰৰ এই প্ৰতিকূল পৰিৱেশৰ এটা সূক্ষ্ম পৰ্যালোচনা কৰি কৃষক ৰাইজৰ সহায় হোৱাকৈ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে মন্ত্ৰীগৰাকীয়ে জিলা কৃষি বিষয়াক নিৰ্দেশ দিয়ে।

মন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ অবৈধ সুৰা ব্যৱসায়ৰ ওপৰত জিলা প্ৰশাসনে চলোৱা অভিযান সন্দৰ্ভত বুজ লয়। জিলাখনৰ বিশেষকৈ চাহ বাগিচা অঞ্চলসমূহত অভিযান তীব্ৰতৰ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আবকাৰী অধীক্ষকক নিৰ্দেশ দিয়ে।

০০০০০০

অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ধেমাজি জিলাৰ গাই নদী ফেনে ফোটোকাৰে বাঢ়িছে আৰু নৈখনৰ বাঢ়নি পানীয়ে জিলাখনৰ বৃহত্তৰ অঞ্চল জলমগ্ন কৰি তুলিছে। এই বানত ধেমাজিৰ পৰা বগীবিল সংযোগী আমগুৰি পথত থকা এখন পকী দলঙৰ এটা মূৰ খহাই নিয়াত পথছোৱাৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। বানৰ ফলত জিলাখনৰ শ্ৰীপানী, নিলখ, বেতনিপাম আৰু আমগুৰি পঞ্চায়তৰ বৃহৎ অংশ জলমগ্ন হোৱাৰ লগতে সাপেখাটী, আটকাই, হাতীগড় আদি অঞ্চলৰ বৃহত্তৰ কৃষিভূমি জলমগ্ন হৈ পৰিছে। ইফালে, জোনাইতো ৰায়াং নদীৰ বানত নৈৰ এটা বান্ধ চিগি যোৱাৰ ফলত কেইবাখনো গাঁও বানৰ কবলত পৰে। দিখাৰী, গালি, ৰায়াং, ৰাজাখানা নৈৰ বানে ছিগা, ৰায়াং, বিজয়পুৰ, ৰামধন-দিখাৰী আৰু তেলাম গাঁও পঞ্চায়তৰ অন্তৰ্গত শতাধিক গাঁও প্লাৱিত কৰিছে।

০০০০০০

পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আশুতোষ কুমাৰে কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ১০ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশ আশুতোষ কুমাৰক শপত বাক্য পাঠ কৰোৱাব। কেন্দ্ৰীয় চৰকাৰে যোৱা ১৪ জুলাইত ন্যায়াধীশ আশুকোষ কুমাৰক গুৱাহাটীৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিছিল।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ ক্ৰিয়েটিভ ৰাইটিং বিভাগৰ সহযোগী অধ্যাপক তথা অসমীয়া আৰু ইংৰাজী ভাষাৰ সু-সাহিত্যিক আৰুণি কাশ্যপে কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত তেওঁৰ সাহিত্যিক সৃষ্টিৰাজী সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা কথোপকথনত কৃষ্ণাংগ আমেৰিকান আৰু জনজাতীয় আমেৰিকান সাহিত্যিকৰ সাহিত্যকৰ্মই অনুপ্ৰাণিত কৰা বুলি শ্ৰী কাশ্যপে উল্লেখ কৰে। তেওঁ কয়, যে অসমৰ থলুৱা পটভূমিক ৰচিত সাহিত্যকো বিশ্ব দৰবাৰলৈ লৈ যাব পাৰি সেই কথা তেওঁ এই লেখকসকলৰ লিখনিৰ জৰিয়তে উপলব্ধি কৰি উঠিছিল।

*(বাইট ঃ আৰুণি কাশ্যপ)*

অসমৰ জাতি-জনগোষ্ঠীসমূহৰ বিভিন্ন ৰীতি-নীতি পৰম্পৰা, বিশ্বাস আদিৰ সংৰক্ষণ সন্দৰ্ভত তেওঁ এইদৰে কয়—

*(বাইট ঃ আৰুণি কাশ্যপ)*

অসমত সৃষ্টিশীল লিখনিৰ আনুষ্ঠানিক শিক্ষাৰ প্ৰাসংগিকতা সন্দৰ্ভত শ্ৰী কাশ্যপে বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্যসকলক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। এনে পদক্ষেপৰ জৰিয়তে নৱ প্ৰজন্মৰ লেখক-লেখিকাসকল বহুলভাৱে উপকৃত হ'ব বুলি তেওঁ কয়। প্ৰয়োজনত সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু ছিকিমত সন্ধান পোৱা লিথিয়াম, কোবাল্ট, ক্ৰ'মিয়াম, ৰেয়াৰ আৰ্থ, গ্ৰেফাইট আৰু ভেনাদিয়ামৰ দৰে মূল্যবান খনিজ পদাৰ্থৰ অন্বেষণৰ বাবে আগবাঢ়িছে। ৰাষ্ট্ৰীয় খনিজ অন্বেষণ ন্যাসে ইতিমধ্যে ৩৮ টা খণ্ড চিনাক্ত কৰি সাতটা খণ্ড নীলামৰ বাবে সাজু কৰিছে। বিশেষজ্ঞসকলে প্ৰকাশ কৰা মতে একবিংশ শতিকাৰ অৰ্থনীতিৰ বাবে অত্যাৱশ্যকীয় হৈ পৰা এই দুৰ্লভ খনিজৰ সন্ধানে দেশৰ অৰ্থনীতিক শক্তিশালী কৰাই নহয়, বৰং পৰনিৰ্ভৰশীলতাৰো অন্ত পেলাব। ৰেয়াৰ আৰ্থ খনিজ পদাৰ্থৰ উৎপাদনেৰে বিশ্বক হেঁচাত ৰখা চীনৰ শেহতীয়া আচৰনে বিশ্ব বজাৰ অস্থিৰ কৰি তোলাৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলত এনে খনিজ পদাৰ্থ অন্বেষণে পৰিস্থিতি সলাই দিব বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত আঁচনিৰ ডিব্ৰুগড় জিলা পৰ্যায়ৰ ৰূপায়ণ সমিতিৰ এখন বৈঠক কালি জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ পৰা এই আঁচনিৰ বাবে লাভ কৰা হিতাধিকাৰীৰ তালিকা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। যিসমূহ চাহ বাগিচাই বৰ্তমানলৈ হিতাধিকাৰীৰ তালিকা আৰু প্ৰপত্ৰ সংশ্লিষ্ট বিভাগক জমা দিয়া নাই সেইসমূহ বাগিচাৰ কৰ্তৃপক্ষক সোনকালেই প্ৰপত্ৰসমূহ সংশ্লিষ্ট বিভাগক জমা দিবলৈ জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। বৈঠকত হিতাধিকাৰীৰ নাম প্ৰপত্ৰ প'ৰ্টেলত আপলোড আৰু ডিজিটাইজেচন কৰাৰ সময়ত সন্মুখীন হোৱা সমস্যা সন্দৰ্ভতো বিশেষ আলোচনা কৰা হয়। ডিব্ৰুগড়ৰ অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, সহকাৰী আয়ুক্তদ্বয় পূজা বৰা, সুৰভী শ্ৰীবাস্তৱা, ডিব্ৰুগড় পূব ৰাজহ চক্ৰ চক্ৰবিষয়া সতীশ প্ৰসাদ, বেংকসমূহৰ মুখ্য জিলা প্ৰবন্ধক সন্তোষ কুমাৰ সিং প্ৰমুখ্যে সমিতিৰ ভালেসংখ্যক সদস্য উপস্থিত থাকে। উল্লেখযোগ্য মুখ্যমন্ত্ৰীৰ এই আঁচনিৰ অধীনত চৰকাৰে চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে বাগিচাৰ কৰ্মচাৰীসকলৰ বাবে ৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ লক্ষ্য লৈছে।

০০০০০০

ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান আই আই টি গুৱাহাটীত কালি হাড়ৰ সংক্ৰমণ আৰু এণ্টিবায়টিক প্ৰতিৰোধ ক্ষমতাৰ বিৰুদ্ধে যুঁজিবলৈ **হাইড্ৰক্সিএপেটাইট** শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত আই আই টি গুৱাহাটীৰ জৈৱ বিজ্ঞান আৰু জৈৱ অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী, অধ্যাপক উৎপল বৰাই টিচু ইঞ্জিনিয়াৰিঙৰ তাৎপৰ্য আৰু বাস্তৱত ইয়াৰ চিকিৎসা প্ৰদানত আলোকপাত কৰে। অনুষ্ঠানৰ আহ্বায়ক আই আই টি গুৱাহাটীৰ জৈৱ বিজ্ঞান আৰু জৈৱ অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক ললিত এগু পাণ্ডেই কৰ্মশালাৰ মূল কাৰ্যসূচীৰ ৰূপৰেখা দাঙি ধৰে। চিকিৎসা আৰু সংক্ৰমণ নিয়ন্ত্ৰণ দুয়োটাতে অভিযন্তা এইচ এ পিৰ আন্তঃশাখা প্ৰয়োগৰ ওপৰত আলোকপাত কৰা হয়। এই কৰ্মশালাত হাতে-কামে কৰা প্ৰশিক্ষণ কাৰ্যসূচীত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ প্ৰায় ৫০ জনতকৈও অধিক অংশগ্ৰহণকাৰীয়ে ভাগ লয়। নেন'

এইচ এ পিৰ সংশ্লেষণ আৰু বৈশিষ্ট্য নিৰ্ণয়ৰ বিভিন্ন দিশত অংশগ্ৰহণকাৰীসকলে হাতে কামে অভিজ্ঞতা লাভ কৰে। কৰ্মশালাখনত হাড়ৰ কলা অভিযান্ত্ৰিকৰণ, মৰাপাত, ঔষধ প্ৰদান আৰু পৃষ্ঠ আৱৰণকে ধৰি বিভিন্ন জৈৱ চিকিৎসা প্ৰয়োগত এইচ এ পিৰ সম্ভাৱনাৰ ক্ষেত্ৰত আলোকপাত কৰা হয়।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে সোণাপুৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিজেপিৰ চিন্তন বৈঠকত কালি বিজেপিৰ দল আৰু চৰকাৰে কিদৰে একত্ৰিত হৈ কাম কৰিব সেই সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকত ৰাষ্ট্ৰীয় সাংগঠনিক সম্পাদক বি এল সন্তোষে তৃণমূল পৰ্যায়ত দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত গুৰুত্ব দি প্ৰতিজন যোগ্য লোকে যাতে চৰকাৰী সুবিধা লাভ কৰে সেই ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। দলৰ প্ৰতিজন নেতাকে এতিয়াৰে পৰা ২৪ ঘণ্টাই দলৰ কাম কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে দলৰ ক্ষতি নোহোৱাকৈ বিৰোধী সমালোচনা কৰিবলৈ পৰামৰ্শ দিয়ে। আনহাতে বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা অক্টোবৰ মাহৰ পৰাই ৰাজ্যত নিৰ্বাচনী বতাহ বলিব বুলি উল্লেখ কৰি কয়, যে চৰকাৰখনে গ্ৰহণ কৰা বহুতো আঁচনি অক্টোবৰৰ পৰা ৰূপায়ণ কৰা হ'ব। সেইদৰে অক্টোবৰত বৃহৎ নিযুক্তি সমাৰোহো অনুষ্ঠিত হ'ব। অৰুণোদয় আঁচনিয়ে নহয়, চাহ বাগিচাৰ শ্ৰমিকৰ পৰা আৰম্ভ কৰি সত্ৰৰ উদাসীন ভকতলৈকে সকলোকে চৰকাৰী ধন দিয়াৰ ব্যৱস্থা কৰা হৈছে। একেদৰে গাঁওপ্ৰধানৰ পৰা আৰম্ভ কৰি মধ্যাহ্ন ভোজনৰ মাননী বৃদ্ধি কৰা হৈছে। বৈঠকত মুখ্যমন্ত্ৰীৰ লগতে ডঃ হিমন্ত বিশ্ব শৰ্মা, হৰিশ দ্বিবেদী প্ৰমুখ্যে ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে। আজি এই বৈঠকৰ সামৰণি পৰিব।

০০০০০০

কাছাৰ জিলাৰ সাপটগ্ৰামত আৰক্ষীৰ এটা দলে অভিযান চলাই কালি প্ৰায় এক কেজি ২২০ গ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হৈছে। ঢলাই আৰক্ষী থানাৰ এটা দলে নিৰ্ভৰযোগ্য তথ্যপ ভিত্তিত চলোৱা এই অভিযানত দুজন ব্যক্তিৰ পৰা এই হেৰ'ইনখিনি জব্দ কৰে। হেৰ'ইনখিনি বজাৰ মূল্য প্ৰায় ছয় কোটি ২২ লাখ টকা হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

উচ্ছেদ অভিযানক লৈ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কৰা মন্তব্যৰ প্ৰতি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তীব্ৰ প্ৰতিক্ৰিয়া, শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'ল তথা পথ দলং নিৰ্মাণত অনুমোদন, ৰাজ্যৰ বিভিন্ন জিলাত দেখা দিয়া খৰাং সদৃশ পৰিস্থিতিকলৈ আছুৰ প্ৰতিবাদ আৰু বিজেপিৰ চিন্তন বৈঠকৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন দৈনিক বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসকীয় বিজেপিৰ মজিয়াত প্ৰাৰ্থীত্ব কেন্দ্ৰিক হিচাপ-নিকাচ আৰম্ভ হোৱাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে **মন্ত্ৰীসহ সংকটত ২২ বিধায়কৰ প্ৰাৰ্থীত্ব** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া খবৰ, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা, আমাৰ অসম কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে ৰাজ্যৰ ২৫ খন জিলাত বৰষুণৰ বিস্তৰ ঘাটি হোৱা বুলি এটা বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। প্ৰায় আটাইকেইখন কাকতে এই বাতৰিটোৰ লগতে বিভিন্ন ঠাইত খৰাং সদৃশ পৰিস্থিতি আৰু জলঞ্চিন বিভাগৰ ব্যৰ্থতাক লৈ সদৌ অসম ছাত্ৰ সন্থাই কালি কৰা প্ৰতিবাদৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমাৰ অসম কাকতে গোলাঘাট জিলাৰ সৰুপথাৰ সম-জিলাৰ অন্তৰ্গত উৰিয়ামঘাটত উচ্ছেদ অভিযান চলোৱাৰ বাবে প্ৰশাসন সাজু হোৱাৰ বাতৰিক **ড্ৰোন উৰিছে জৰীপ চলিছে** শিৰোনামেৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে পাইকানত আৰক্ষী-বনৰক্ষীক আক্ৰমণ চলোৱা অভিযোগত আৰু ১১ জন লোকক গ্ৰেপ্তাৰ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতে ৰহাৰ বিশাল ভূমিতো অবাধ বেদখল হোৱা বুলি এটা বাতৰি আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে শৰাইঘাটত দ্বিতীয়খন ৰে'ল তথা পথ দলং নিৰ্মাণত অনুমোদন জনোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

হোজাই-গোলকগঞ্জত কালি দুৰ্ঘটনাক শিশুসহ ৭ জন লোকে প্ৰাণ হেৰুওৱাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে চীনে ব্ৰহ্মপুত্ৰৰ ওপৰত বান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰা বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰি কেইবাখনো কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দ্যা ছেণ্টিনেল কাকতে কুলশী জলবিদ্যুৎ প্ৰকল্প সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাই বুলি ৰাজ্য চৰকাৰে কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত